# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-NOV-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

———————————————————

ooooo

বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনা মুঠ ৩১ জন বিধায়কে অংশগ্ৰহণ কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই এম আৰু ৰাইজৰ দলে বিধেয়কখনত ভালেমান সংশোধনৰ আৰু বাছনি সমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিভিন্ন বিষয়ত মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছত কংগ্ৰেছ আৰু ৰাইজৰ দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰে। অৱশ্যে এ আই ইউ ডি এফ আৰু চি পি আই এম দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত বিধেয়কখন আইনত পৰিণত হ'ব।

**বাইট (চি এম)**

আজিৰ বিধানসভাত আনকেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বৰ্ষৰ অসম বিনিয়োজন বিধেয়ক উত্থাপন কৰে। তদুপৰি বিদ্যালয় শিক্ষা বিভাগৰ লগত সম্পৰ্কিত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰি সন্দৰ্ভতো আলোচনা আৰু ভোটদান হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ (সংশোধনী) বিধেয়ক ২০২৫ আৰু অসম অগ্নি আৰু জৰুৰীকালীন সেৱা বিধেয়ক ২০২৫ৰ বিবেচনাৰ বাবে প্ৰস্তাৱ দিয়ে। মন্ত্ৰী কেশৱ মহন্তই অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক ২০২৫ বিবেচনাৰ বাবে প্ৰস্তাৱ দিয়ে।

ooooo

ৰাজ্যৰ ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু বৰ্তমান এনে বিদ্যালয়সমূহত মুঠ ২৩ হাজাৰ ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। বিধানসভাত আজি বিধায়ক তেৰছ গোৱালাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই তথ্য প্ৰকাশ কৰে। ডাঃ পেগুৱে লগতে কয়, যে বৰ্তমান ৰাজ্যৰ চাহ বাগিচাসমূহত ১১৮ খন আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু প্ৰতিখন আদৰ্শ বিদ্যালয়তে পাঠদান ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰে ৮৭ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ আৰু ৩১ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদান কৰা হৈছে বুলি শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ডাঃ পেগুৱে অনুমতিপ্ৰাপ্ত বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ সন্দৰ্ভত আন এটা প্ৰশ্নৰ উত্তৰত কয়, যে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত অসম চৰকাৰৰ অনুমতিপ্ৰাপ্ত মুঠ ৪০২ খন অপ্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইন ২০১৮ৰ প্ৰয়োজনীয় অৰ্হতা নোহোৱাৰ বাবে এই

বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণৰ আওঁতাৰ বাহিৰত ৰখা হৈছে। আনহাতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত সকলো মহবিদ্যালয়কে প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই দ্বিতীয় এডভাণ্টেজ আছামত দেশী-বিদেশী বিনিয়োগকাৰীৰ সৈতে হোৱা চুক্তি সন্দৰ্ভত এটা প্ৰশ্নৰ লিখিত উত্তৰত কয়, যে এই শীৰ্ষ সন্মিলনত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে ২৯৭ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইতিমধ্যে ইয়াৰে ৭০ খন বুজাবুজিৰ চুক্তি কাৰ্য্যকৰী হৈছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে বিধায়ক আমিনুল ইছলামৰ বিৰুদ্ধে আৰোপ কৰা ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ গোচৰ খাৰিজ কৰিছে। উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি পুৱা এই সন্দৰ্ভত ৰায়দান কৰি বিধায়কগৰাকীৰ বিৰুদ্ধে ৰুজু কৰা ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ গোচৰ খাৰিজ কৰে। উল্লেখযোগ্য যে, পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাক লৈ দেশ বিৰোধী মন্তব্য আগবঢ়োৱাৰ অভিযোগত বিধায়কগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল।

০০০০০

আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে আজি কৃত্ৰিম বুদ্ধিমত্তা, এ আইৰ জৰিয়তে ভিডিঅ' প্ৰস্তুত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জনমানসত হেয় প্ৰতিপন্ন কৰা গোচৰত তিনিজন কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা কংগ্ৰেছ কৰ্মীকেইজনক মাজুলীৰ জিলা কংগ্ৰেছৰ সামাজিক মাধ্যম আৰু তথ্যপ্ৰযুক্তি শাখাৰ অধ্যক্ষ জিবেশ্বৰ গাম, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ উপেন ৰাজ নাথ আৰু নগাঁও জিলাৰ জুৰিয়াৰ ছাহিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। দুষ্টচক্ৰই এ আইৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাঙুৰি অমিতাভ বচ্চনে পৰিচলানা কৰা কৌন বনেগা কড়ৌৰপতি নামৰ অনুষ্ঠানৰ ভুৱা ভিডিঅ' প্ৰস্তুত কৰি অপপ্ৰচাৰ চলোৱাৰ অভিযোগত অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ থানাত ৰুজু কৰা গোচৰৰ সংক্ৰান্তত এই লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। অপৰাধ অনুসন্ধান বিভাগে ঘটনা সংক্ৰান্তত চাবুৱাৰ প্ৰাক্তন বিধায়ক ৰাজু চাহুকো সোধা-পোছা কৰি আছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত প্ৰাক্তন সঞ্চালক মনালিছা গোস্বামীৰ অগ্ৰীম জামিন আবেদন দ্বিতীয়বাৰৰ বাবে নাকচ কৰিছে। পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ গোচৰক প্ৰত্যাহ্বান জনাই প্ৰাক্তন সঞ্চালকগৰাকীয়ে অগ্ৰীম জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল, কিন্তু শুনানিৰ অন্তত ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠে অভিযুক্ত মনালিছা গোস্বামীৰ অগ্ৰীম জামিন আবেদনখন খাৰিজ কৰে। পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ইতিমধ্যে কেবাজনো পৰ্যটন বিষয়াক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত প্ৰাক্তন সঞ্চালক মনালিছা গোস্বামীৰ অগ্ৰীম জামিন আবেদন দ্বিতীয়বাৰৰ বাবে নাকচ কৰিছে। পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ গোচৰক প্ৰত্যাহ্বান জনাই প্ৰাক্তন সঞ্চালকগৰাকীয়ে অগ্ৰীম জামিন বিচাৰি উচ্চ

ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল, কিন্তু শুনানিৰ অন্তত ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠে অভিযুক্ত মনালিছা গোস্বামীৰ অগ্ৰীম জামিন আবেদনখন খাৰিজ কৰে। পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ইতিমধ্যে কেবাজনো পৰ্যটন বিষয়াক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

সমাপ্ত